কৰিছিল। সেই বিতৰ্কৰ অন্তত হেৰিছকে বিভিন্ন সংবাদ মাধ্যমে বিতৰ্কৰ অঘোষিত বিজয়ী বুলি প্ৰচাৰ কৰিছিল। সেই বিতৰ্কৰ পাছতে হেৰিছৰ প্ৰতি সমৰ্থন ডেম'ক্ৰেটসকলৰ মাজত বাঢ়ি গৈছিল। সমীক্ষাত প্ৰকাশ পোৱা মতে বিতৰ্কৰ আগতে হেৰিছৰ প্ৰতি সমৰ্থন আছিল আঠ শতাংশ ডেম'ক্ৰেটৰ। বিতৰ্কৰ পাছত সেয়া বাঢ়ি ১৭ শতাংশ হৈছিলগৈ। সেই নিৰ্বাচনী প্ৰচাৰৰ বাবে তেওঁ সেই বিতৰ্কতে ২০ লাখ ডলাৰ ধন গোটাইছিল। সেই বিতৰ্কই আনকি ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰো দৃষ্টি আকৰ্ষণ নকৰাকৈ থকা নাছিল। ট্ৰাম্পে বিডেনতকৈ হেৰিছৰ মন্তব্যক সকলোৰে অপ্ৰয়োজনীয় গুৰুত্ব দিয়া বুলি মন্তব্য কৰিছিল। এই পৰ্যায়ত হেৰিছে ২,৭৯,০০০জন দাতাৰপৰা প্ৰচাৰৰ বাবে এক কোটি ২০ লাখ ডলাৰ ধন সংগ্ৰহ কৰিছিল।

জুলাই মাহত আৰম্ভ হোৱা তৃতীয় তিনিমাহৰ প্ৰচাৰকালত হেৰিছে আমেৰিকালৈ অনুপ্ৰৱেশৰ প্ৰসংগটোক লৈ নিজৰ মতামত ব্যক্ত কৰে। তেওঁ কয় যে অনুপ্ৰৱেশকাৰীক ব্যক্তিগতভাৱে অপৰাধী বোলাৰ সলনি ইয়াক সীমাঞ্চলৰ নিৰাপত্তাৰ সৈতে জড়িত আইনগত বিষয়ৰূপেহে গণ্য কৰিব লাগে। এই সময়ছোৱাতে তেওঁ নিজাববীয়া এখন স্বাস্থ্য আঁচনিও ৰাজহুৱা কৰে। তাত চৰকাৰী, বেচৰকাৰী সকলোপ্ৰকাৰৰ বীমা প্ৰতিষ্ঠানক বীমাৰ সুবিধা দিয়াৰ কথা কোৱা হৈছিল। এই ঘোষণাই মিশ্ৰিত প্ৰতিক্ৰিয়া আদায় কৰিছিল। এই সময়ছোৱাত ছি এন এনৰ বিতৰ্কসভাত হেৰিছে জো বিডেনৰ স্বাস্থ্য আঁচনিৰ সমালোচনা কৰি কৈছিল যে সেই আঁচনিয়ে আমেৰিকাৰ ৰাজকোষৰপৰা তিনি লাখ কোটি ডলাৰ পৰিমাণৰ ধন অতিৰিক্তভাৱে ব্যয় কৰাব। তদুপৰি সেই আঁচনি সকলোৰে বাবে নহয় বুলিও তেওঁ স্পষ্টভাৱে ঘোষণা কৰিছিল। এই অভিযানত তেওঁ ৰাষ্ট্ৰপতি ট্ৰাম্পক বৰ্ণবাদী মন্তব্য কৰা বুলি কঠোৰভাৱে সমালোচনা কৰিছিল। পাছত ছেপ্টেম্বৰ মাহত যেতিয়া ট্ৰাম্পে জো বিডেন আৰু তেওঁৰ পুত্ৰৰ বিৰুদ্ধে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিৰ আহ্বানমৰ্মে তদন্ত ঘোষণা কৰাৰ পোষকতা কৰিলে তেতিয়া কিন্তু হেৰিছে দলীয় সহকৰ্মী বিডেনৰ পক্ষ লয়। তেওঁ কয় যে বিষয়টো কেৱল বিডেনৰ পক্ষতে থাকিবলৈ দিয়া ভাল, তাত ৰাষ্ট্ৰপতিৰ হস্তক্ষেপৰ কোনো অৰ্থ নাই। এইবাৰো তেওঁ এক কোটি ১৬ লাখ ডলাৰ ধন সংগ্ৰহ কৰে আৰু ভালেসংখ্যক দলীয় নেতা-নেত্ৰীৰ সমৰ্থনো আদায় কৰে।

চতুৰ্থটো তিনিমাহতো হেৰিছ প্ৰচাৰত ব্যস্ত থাকিবলগীয়া হয়। এই সময়ছোৱাত তেওঁ প্ৰথমেই নাৰীৰ অধিকাৰৰ বিষয়টোত নিজৰ স্থিতি স্পষ্ট কৰে। এই প্ৰসংগতে হেৰিছে ৰাষ্ট্ৰপতি ট্ৰাম্পক সমালোচনা কৰি তেওঁৰ 'টুইটাৰ' একাউণ্ট বন্ধ কৰাৰ দাবী তোলে। এই সময়ছোৱাতে তেওঁ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ প্ৰতি অধিক কঠোৰ হৈ পৰে। আয়োজক কৰ্তৃপক্ষই ট্ৰাম্পৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰাৰ বাবে তেওঁ আনকি এখন বিতৰ্কসভাৰপৰা নিজৰ নামপৰ্যন্ত প্ৰত্যাহাৰ কৰে। এই সময়খিনিত তেওঁ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামাৰ পক্ষত থাকি অ'বামাৰ কাম-কাজক আগবঢ়াই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। অ'বামাৰ প্ৰতি হেৰিছৰ সন্মানক বহুসংখ্যক ডেম'ক্ৰেটে সমৰ্থন জনায় আৰু প্ৰশংসাও কৰে। কিন্তু ইমানৰ পাছতো নিৰ্বাচনী প্ৰচাৰৰ বাবে প্ৰয়োজনীয় বৃহৎ অংকৰ খৰচ যোগাবলৈ তেওঁ সমৰ্থবান নহ'ল। অৰ্থৰ অভাৱতে এজন এজনকৈ লোকে হেৰিছৰ প্ৰচাৰ অভিযান ত্যাগ কৰি আঁতৰি যাবলৈ বাধ্য হয়। ২০১৯ চনৰ তিনি ডিছেম্বৰত অৰ্থাভাৱত হেৰিছে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্বৰ দৌৰৰপৰা নিজৰ নাম প্ৰত্যাহাৰ কৰে। তাৎক্ষণিকভাৱে তেওঁ কোনো প্ৰাৰ্থীকে সমৰ্থন জনোৱা নাছিল যদিও ড'নাল্ড ট্ৰাম্পৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিব বুলি মুকলিকৈ ঘোষণা কৰিছিল। এতিয়া তেওঁ জো বিডেনৰ সৈতে সেই যুঁজৰে সহযোগী হৈছে।

কমলা হেৰিছক উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰূপে বাছনি কৰাৰ আঁৰত বহুকেইটা কাৰকে বিডেনৰ মনত ক্ৰিয়া কৰিছে। আজিৰ ডেম'ক্ৰেটিক দল ডেকা-ডেকেৰীৰ সমৰ্থনত তগবগাই থকা দল। তেনেস্থলত ৭৭ বছৰীয়া বিডেনক নিৰ্বাচনী যুঁজত নামিবলৈ এজন গোষ্ঠীগতভাৱে বহুমুখী আৰু তেওঁতকৈ কম বয়সৰ সহযোগীৰ প্ৰয়োজন আছিল। তদুপৰি বৰ্ণবাদী উদাৰতা হৈছে ডেম'ক্ৰেটিক দলৰ অন্যতম বৈশিষ্ট্য। সেই বৈশিষ্ট্য ৰক্ষাৰ বাবেও কমলা হেৰিছেই হৈছে বিডেনৰ অন্যতম অস্ত্ৰ। হেৰিছ আছিল এটা প্ৰধান দলৰপৰা ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্ব লাভ কৰিবলৈ চেষ্টা কৰা প্ৰথমগৰাকী কৃষ্ণাংগ মহিলা আৰু এছীয় আমেৰিকান। সেয়ে হেৰিছক সংগীৰূপে পালে এছীয় মূলৰ লোকসকলৰ (ভাৰতীয়ৰতো কথাই নাই) সমৰ্থন পোৱা যাব বুলিও বিডেনে ভাবিছে। আন এটা দিশতো হেৰিছৰ দক্ষতা আছে। হেৰিছে বেচ দক্ষতাৰে তৰ্ক কৰিব পাৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীজনৰ সাধাৰণতে তৰ্ক-বিতৰ্কত লিপ্ত হ'বলৈ বিশেষ সময় নাথাকে। সেই দায়িত্ব অৱধাৰিতভাৱে পৰে উপৰাষ্ট্ৰপতি, অৰ্থাৎ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ 'ৰানিং মেট'জনৰ ওপৰত। ছিনেটত হেৰিছৰ যুক্তি-তৰ্কৰ দক্ষতা সকলোৱে দেখিছে। গতিকে এতিয়া নিৰ্বাচনৰ সময়তো হেৰিছে সেই দক্ষতা কামত লগাব পাৰিব বুলি ডেম'ক্ৰেটসকল আশাবাদী। আন এটা দিশতো হেৰিছ বিডেনৰ উপযুক্ত বাছনি বুলিব পাৰি। সেয়া হৈছে দলীয় আনুগত্য। ডেম'ক্ৰেটিক দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'ব নোৱাৰিলেও দলটোৰ প্ৰতি কিন্তু হেৰিছৰ অৱদান হ্ৰাস পোৱা নাছিল। দলৰ প্ৰতি সম্পূৰ্ণ আস্থা, আনুগত্য ৰাখিহে তেওঁ সম্পূৰ্ণ নৈতিকতাৰ আলমত সমৰ্থন বিচাৰিছিল। ব্যক্তিগত জীৱনতো হেৰিছ স্বচ্ছ। সেয়ে বিডেনে এটি অবিতৰ্কিত সত্তাক সহযোগী হিচাপে বাছি লৈ দূৰদৰ্শিতা আৰু সাৱধানতাৰে প্ৰমাণ দিছে।

অৱশ্যে আইন বলৱৎকৰণত হেৰিছৰ কঠোৰতাৰ বাবে বহুতে তেওঁক 'আৰক্ষী হেৰিছ' বুলিও অভিহিত নকৰা নহয়। দৃঢ়মনা, নিজৰ স্থিতিত অনমনীয় বুলি পৰিচিতি থকা হেৰিছে আমেৰিকাত আইনৰ কঠোৰ প্ৰয়োগেহে অনেক সমস্যা সমাধানৰ বাট মুকলি কৰিব বুলি বিশ্বাস কৰি আহিছে। তদুপৰি নিজে আগতীয়াকৈ ব্যাপক প্ৰচাৰ আৰম্ভ কৰি আধাতে যুদ্ধক্ষেত্ৰ এৰি পলায়ন কৰা প্ৰাৰ্থী বুলিও বিৰোধীয়ে হেৰিছক সমালোচনা নকৰা নহয়।

অৱশ্যে হেৰিছৰ বাছনিক ৫৩শতাংশ ডেম'ক্ৰেটে সমৰ্থন জনাইছে। তাৰ ভিতৰত এটি বৃহৎ সংখ্যা হৈছে ভাৰতীয় মূলৰ ভোটাৰ। দেশখনত প্ৰায় ১৩ লাখ ভাৰতীয় মূলৰ ভোটাৰ আছে। সেইসকলৰ ভোট পাবৰ বাবে ড'নাল্ড ট্ৰাম্পৰ ৰিপাব্লিকান দলেও যত্ন নকৰাকৈ থকা নাই। কিন্তু এতিয়া হেৰিছক ডেম'ক্ৰেটিক দলে উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্ব দিয়াত এই ভোটৰ অধিক অংশ ডেম'ক্ৰেটিক দললৈ যোৱাৰ সম্ভাৱনাও নথকা নহয়। সেই ভয় ইতিমধ্যে আৰম্ভ হৈছে ৰিপাব্লিকান শিবিৰত। সেয়ে ড'নাল্ড ট্ৰাম্পে পোনে পোনে হেৰিছক আক্ৰমণৰো লক্ষ্য কৰি লৈছে। ট্ৰাম্পে প্ৰথমেই বিডেন আৰু হেৰিছৰ যুটীক 'আৰক্ষীৰ ওপৰত বাঁওপন্থীৰ আক্ৰমণ' বুলিও অভিহিত কৰিছে। হেৰিছক ট্ৰাম্পে অধিক বেয়া বুলি মন্তব্য আগবঢ়াই কৈছে যে ট্ৰাম্পৰ ওচৰত হেৰিছতকৈও অধিক ভাৰতীয়ৰ সমৰ্থন আছে। হেৰিছৰ আগমনত ভীতিগ্ৰস্ত হৈয়ে ৰিপাব্লিকান দলে হিন্দু, মুছলমান, শিখ আৰু ভাৰতীয়ৰ বাবে সুকীয়া সুকীয়াকৈ প্ৰচাৰ অভিযানৰ পৰিকল্পনা প্ৰস্তুত কৰিবলগীয়া হৈছে। তাৰ লগতে প্ৰচাৰ চলোৱা হৈছে যে ট্ৰাম্পৰ দিনত মাত্ৰ চাৰি বছৰতে (২০১৬-২০২০) আমেৰিকা আৰু ভাৰতৰ সম্পৰ্কৰ ইমানখিনি উন্নতি হৈছে, গতিকে পুনৰ চাৰি বছৰৰ বাবে ট্ৰাম্প ৰাষ্ট্ৰপতি হৈ থাকিলে এই সম্পৰ্ক নতুন উচ্চতালৈ উন্নীত হ'ব। কিন্তু ডেম'ক্ৰেট দলে এতিয়া কমলা হেৰিছৰ যোগেদি একেলগে কেইবাটাও লক্ষ্য পূৰণৰ দিশে আগবাঢ়িছে। পিছে হেৰিছক সহযোগী কৰি এছীয় আৰু আফ্ৰিকীয় মূলৰ মাৰ্কিন ভোটাৰৰ সমৰ্থন আশা কৰা জো বিডেনৰ বাবে হেৰিছ তুৰুপৰ তাচ হ'ব পাৰিবনে নোৱাৰিব সেয়া সময়েহে ক'ব।

ফোন ঃ ৭০৩৫৯০৫২৩৮